# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-DEC-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

১। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ কটন বিশ্ববিদ্যালয়ৰ চতুৰ্থ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ।

২। পি এম আবাস যোজনা গ্ৰামীণৰ অন্তৰ্গত ৩ লাখৰো অধিক হিতাধিকাৰীলৈ ৰাজ্যত গৃহ নিৰ্মাণৰ অনুমোদন পত্ৰ বিতৰণ।

৩। কাইলৈ পালন কৰিবলগীয়া ছহিদ দিৱসৰ পূৰ্বে আজি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰত ছহিদৰ স্মৃতিত বিশেষ অনুষ্ঠান। **আৰু**

৪। কটকৰ বাৰাবতী ষ্টেডিয়ামত আজি ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেল।

০০০০০

ৰাজ্যপাল আৰু কটন বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি বিশ্ববিদ্যালয়খনৰ চতুৰ্থ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰে। সমাৱৰ্তন ভাষণত ৰাজ্যপালগৰাকীয়ে ২০৪৭ চনলৈ ভাৰতবৰ্ষ এখন বিকশিত ৰাষ্ট্ৰত পৰিণত কৰাৰ সপোন পূৰণ কৰাৰ দায়িত্ব দেশৰ নৱপ্ৰজন্মৰ ওপৰতে ন্যস্ত আছে বুলি মন্তব্য কৰে। এই সমাৰোহত দুহেজাৰ ৮০৪ গৰাকী পি এইচ ডি, স্নাতক, স্নাতকোত্তৰ তথা ডিপ্ল'মাৰ শিক্ষাৰ্থীক প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। তদুপৰি শৈক্ষিক উৎকৰ্ষতাৰ বাবে ১২৫ গৰাকী শিক্ষাৰ্থীক স্বৰ্ণ পদক প্ৰদান কৰা হয়। উল্লেখযোগ্য যে এই সমাৰোহত জনতাৰ শিল্পী জুবিন গাৰ্গক মৰণোত্তৰভাৱে ডি-লীট উপাধি প্ৰদান কৰা হয়। শিল্পীগৰাকীলৈ আগবঢ়োৱা এই সন্মান সন্দৰ্ভত শিল্পীগৰাকীৰ ভগ্নী পামি বৰঠাকুৰে এনেদৰে কয় -

**বাইট (পামি)**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও আজি কটন বিশ্ববিদ্যালয়ৰ চতুৰ্থ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই শিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয়, যে ১৯৮৫ চনত অসম আন্দোলনৰ পাছত অসম চুক্তি স্বাক্ষৰিত হৈছিল। সকলোৰে ৰাজ্যখনক লৈ ইতিবাচক মনোভাৱ পোষণ কৰি আছিল যদিও আলফাকে ধৰি বিভিন্ন উগ্ৰবাদ তথা গুপ্তহত্যাৰ দৰে বিষয়সমূহে ৰাজ্যখনৰ সমাজ ব্যৱস্থা স্খলিত কৰিছিল বুলি তেওঁ উল্লেখ কৰে। এনে নেতিবাচক পৰিৱেশৰ পৰিৱৰ্তে সম্প্ৰতি ৰাজ্যখন উন্নয়ন আৰু প্ৰগতিৰ নতুন দিগন্তৰ দিশে ধাৱমান হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

**বাইট (চি এম)**

ৰাজ্যত সম্প্ৰতি ২৫ খনতকৈ অধিক বিশ্ববিদ্যালয়, ১৫ খনতকৈ অধিক চিকিৎসা মহাবিদ্যালয়, ২০ খনতকৈ অধিক অভিযান্ত্ৰিক মহাবিদ্যালয় তথা বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানসমূহ স্থাপনৰ জৰিয়তে বিদ্যাৰ্থী সমাজে নতুন সুযোগ-সুবিধা লাভ কৰা বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যত উদ্যোগীকৰণৰ নতুন পৰিৱেশ নিৰ্মাণ হৈছে। দুৰ্নীতি অবিহনে যোগ্য নিবনুৱাই সংস্থাপনৰ সুবিধা লাভ কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে কয়। সাংস্কৃতিক, ক্ৰীড়া আদি সকলো ক্ষেত্ৰতে নতুন প্ৰয়াসৰ জৰিয়তে ৰাজ্যখন সম্প্ৰতি দেশৰ ভিতৰতে শক্তিশালী ৰাজ্যত পৰিণত হোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অন্তৰ্গত ২০২৫-২৬ বৰ্ষৰ বাবে তিনি লাখৰো অধিক হিতাধিকাৰীলৈ যোজনাৰ অনুমোদন পত্ৰৰ ৰাজ্যিক পৰ্যায়ৰ কেন্দ্ৰীয় আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ আজি উদ্বোধন কৰে। কামৰূপ জিলাৰ বকোৰ গান্ধী ময়দান সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত এই কাৰ্যসূচীত হিতাধিকাৰীসকলৰ লগতে ভালেসংখ্যক লোক উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে কয়, যে এই আঁচনিৰ অধীনত চৰকাৰে বহুসংখ্যক নতুন হিতাধিকাৰীকো অন্তৰ্ভুক্ত কৰিব। পূৰ্বৰ চৰকাৰৰ অতি কম পৰিমাণৰ ধনৰ তুলনাত বৰ্তমানৰ চৰকাৰে এই আঁচনিৰ ঘৰ নিৰ্মাণৰ বাবে হিতাধিকাৰীসকলক ডেৰ লাখকৈ টকা দিয়াটো অতি গুৰুত্বপূৰ্ণ বুলিও তেওঁ মন্তব্য কৰে। বৰ্তমানৰ চৰকাৰে দৰিদ্ৰ, মধ্যবিত্ত আদি শ্ৰেণীৰ লোকৰ কাৰণে কাম কৰি অহা বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰে। সম্প্ৰতি যোগ্য সকলেহে চৰকাৰী আঁচনিৰ জৰিয়তে উপকৃত হোৱাৰ সুযোগ পাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয়, যে পূৰ্বৰ চৰকাৰৰ দিনত কেৱল নেতা-পালিনেতাৰ আত্মীয়-স্বজনসকলেহে এই সুবিধা লাভ কৰিছিল।

প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীনৰ অধীনত বজালী জিলাৰ হিতাধিকাৰীসকলৰ মাজতো এই গৃহ অনুমোদন পত্ৰ বিতৰণ কৰা হয়। বজালী সমষ্টিৰ মুঠ এহেজাৰ ৭০ গৰাকী হিতাধিকাৰীয়ে এই আঁচনিৰ অধীনত চেক পাবলৈ সমৰ্থ হয়। ধুবুৰী, ওদালগুৰি, তামুলপুৰ, মঙলদৈ, মানকাচৰ, নলবাৰী, কোকৰাঝাৰ আদিতো প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত গৃহ অনুমোদন পত্ৰ প্ৰদান অনুষ্ঠান সম্পন্ন হয়।

০০০০০

ৰাজ্যজুৰি বিস্তৃত কাৰ্যসূচীৰে কাইলৈ পালন কৰিবলগীয়া ছহিদ দিৱসৰ পূৰ্বে আজি গুৱাহাটীৰ পশ্চিম বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰত ছহিদৰ স্মৃতিত বিশেষ অনুষ্ঠান অনুষ্ঠিত হৈছে। এই অনুষ্ঠানৰ অংশ হিচাপে আজি বিয়লি থাপনা স্থাপন, ভাগৱত পাঠ, ছহিদ প্ৰণাম জ্যোতি প্ৰজ্বলন, দিহা নাম, থিয় নাম আদিৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অক্ষয় বন্তি প্ৰজ্বলন কৰে। ৮৬০ গছি চাকি বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পূৰ্বে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছহিদ স্মাৰক ক্ষেত্ৰত উপস্থিত হৈ কাইলৈ হ'বলগীয়া ছহিদ স্মাৰক ক্ষেত্ৰ উদ্বোধনৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই স্মাৰক ক্ষেত্ৰত কাইলৈ হ'বলগীয়া অনুষ্ঠানলৈ সকলোকে আমন্ত্ৰণ জনায়।

ইপিনে, কাইলৈ বৰাগাঁৱৰ ছহিদ স্মাৰক ক্ষেত্ৰৰ লগতে ৰাজ্যজুৰি পালন কৰিবলগীয়া ছহিদ দিৱসৰ প্ৰস্তুতিৰ খতিয়ান ল'বলৈ মন্ত্ৰী অতুল বৰাই জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কালি এখন বৈঠকত মিলিত হয়। এই বৈঠকত মন্ত্ৰী কেশৱ মহন্ত, জয়ন্ত মল্ল বৰুৱা, ৰূপেশ গোৱালা আৰু ৰাজ্যৰ মুখ্য সচিব ড° ৰবী কোটা উপস্থিত থাকে। বৈঠকত প্ৰতিখন জিলা আৰু সমজিলাত এই অনুষ্ঠান সফলভাৱে অনুষ্ঠিত কৰিবলৈ যাৱতীয় নিৰ্দেশনা দিয়া হয়। গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ দিৱস উদযাপনৰ কেন্দ্ৰীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলা আৰু সম জিলা মুখ্য কাৰ্যালয়সমূহতো সকলো স্তৰৰ ৰাইজৰ সক্ৰিয় অংশগ্ৰহণেৰে ছহিদ দিৱস পালন কৰা হ'ব। পশ্চিম বৰাগাঁৱত নিৰ্মিত ছহিদ স্মাৰক ক্ষেত্ৰ মুখ্যমন্ত্ৰী ড° শৰ্মাই আনুষ্ঠানিকভাৱে মুকলি কৰিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে ঐতিহাসিক অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি সন্মান জনাই তেওঁলোকৰ স্মৃতি সংৰক্ষণৰ লক্ষ্যৰে বৰাগাঁৱত এই ছহিদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰা হৈছে। এই ক্ষেত্ৰত প্ৰেক্ষাগৃহ, প্ৰাৰ্থনা গৃহ, চাইকেল ট্ৰেক আদিৰ উপৰি অসম আন্দোলন তথা ৰাজ্যখনৰ বুৰঞ্জীৰ বিভিন্ন ঘটনা প্ৰবাহক সামৰি শব্দ আৰু পোহৰৰ বিশেষ প্ৰদৰ্শনীৰো ব্যৱস্থা থাকিব।

০০০০০

ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান- আই আই এম চিয়ে ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সহযোগত কাইলৈ আৰু পৰহিলৈ দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীত আঞ্চলিক সামূহিক অনাতাঁৰ কেন্দ্ৰ সন্মিলনৰ

আয়োজন কৰিছে। ভাৰতত সামূহিক অনাতাঁৰ সেৱাৰ ২০ বছৰ পূৰ্তি উদযাপনৰ লগতে এই সামূহিক অনাতাঁৰ কেন্দ্ৰসমূহত সেৱা আগবঢ়োৱা পূব আৰু উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ অংশগ্ৰহণকাৰী, গণ মাধ্যমৰ শিক্ষক, চৰকাৰী প্ৰতিনিধি আৰু সমল ব্যক্তিসকলক একেখন মঞ্চতে সন্মিলিত কৰোৱাৰ উদ্দেশ্যে এই সন্মিলনৰ আয়োজন কৰা হয়। গুৱাহাটীৰ আজাৰাত কাইলৈ পুৱা ১০ বজাৰ পৰা এই সন্মিলন অনুষ্ঠিত হ'ব।

ooooo

নতুন দিল্লীত আজি আয়োজিত এটা অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰীয় হস্তশিল্প বঁটাসমূহ প্ৰদান কৰে। হস্তকলাৰ বিভিন্ন দিশত দেখুওৱা পাৰদৰ্শিতাৰ বাবে এই বঁটা দেশৰ বিভিন্ন ৰাজ্যৰ শিল্পীসকলক প্ৰদান কৰা হয়। অনুষ্ঠানত অংশ লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ভাৰতীয় হস্তশিল্প অত্যন্ত চহকী বুলি মত প্ৰকাশ কৰাৰ লগতে এই শিল্পসমূহে ভাৰতৰ সাংস্কৃতিক বৈচিত্ৰ্যক প্ৰতিফলিত কৰে বুলি উল্লেখ কৰে। অনুষ্ঠানত উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ পৰা বাছনি লাভ কৰা হস্তশিল্পীসকলকো পুৰস্কৃত কৰা হয়।

ooooo

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত কামৰূপ জিলাৰ ৰঙিয়াত বানপীড়িত অঞ্চলত বানপানীৰ সময়ত ল'বলগীয়া সাৱধানতাৰ বিষয়ে অনুশীলন অনুষ্ঠিত হয়। ৰঙিয়াৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এই কাৰ্যসূচীত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বাহিনী, ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনী, অগ্নি নিৰ্বাপক বাহিনী, চিকিৎসা সেৱা কৰ্মী আৰু শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ লগতে ৰঙিয়া সমজিলাৰ অন্যান্য ভালেসংখ্যক চৰকাৰী কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে।

ooooo

আলহী দল দক্ষিণ আফ্ৰিকাক শেহতীয়া এদিনীয়া শৃংখলাত পৰাজিত কৰি আত্মবিশ্বাসী হৈ থকা ভাৰতে আজি কটকৰ বাৰাবতী ষ্টেডিয়ামত দলটোৰ বিৰুদ্ধে পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। সূৰ্য কুমাৰ যাদৱে নেতৃত্ব দিবলগীয়া খেলখনত হাৰ্ডিক পাণ্ড্যা আৰু শুভমন গিলেও অংশগ্ৰহণ কৰিব বুলি যাদৱে নিশ্চিত কৰিছে। বি চি চি আইয়ে মুকলি কৰা এটা ভিডিঅ'যোগে উপ-অধিনায়ক শুভমন গিলে প্ৰয়োজনীয় চিকিৎসাৰ অন্তত সুস্থ হৈ উঠা বুলি ইতিমধ্যে প্ৰকাশ কৰিছে। এই শৃংখলাৰ পৰৱৰ্তী খেলখন অহা বৃহস্পতিবাৰে চণ্ডীগড়ৰ মুল্লানপুৰত, তৃতীয়খন খেল ধৰমশালাত, চতুৰ্থখন খেল লক্ষ্ণৌত আৰু আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অন্তিম খেলখন অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত